# ভাৰতৰ জনসংখ্যা বৃদ্ধি, বিতৰণ

## TEXTUAL QUESTIONS AND ANSWERS

---

**প্ৰশ্ন ১। জনসংখ্যা কাক বা◌েলে ?**

**উত্তৰঃ** কোনা◌ে এটা অঞ্চলত স্থায়ীভাৱে বসবাস কৰি অহা জনগণক অঞ্চলটোৰ জনসংখ্যা বা◌েলে।

**প্ৰশ্ন ২। জনসংখ্যা ঘনত্ব মানে কি বুজা ?**

**উত্তৰঃ** কোনা◌ে এখন ঠাইৰ মুঠ মাটিকালিৰ বিপৰীতে সেই ঠাইখনৰ থকা মুঠ জনসংখ্যা হৈছে ঠাইখনৰ জনসংখ্যা ঘনত্ব ।

কোনা◌ে এখন ঠাইৰ জনসংখ্যা ঘনত্ব = ঠাইখনৰ মুঠ জনসংখ্যা / ঠাইখনৰ মুঠ মাটিকালি ।

**প্ৰশ্ন ৩। ২০১১ চনৰ লোকপিয়ল মতে ভাৰতৰ জনসংখ্যা ঘনত্ব কিমান আছিল ?**

**উত্তৰঃ** প্ৰতি বৰ্গ কিলা◌েমিটাৰত ৩৮২ ।

**প্ৰশ্ন ৪। ভাৰতৰ জনসংখ্যা বৃদ্ধিৰ মূল দুটা কাৰণ লিখা ।**

**উত্তৰঃ** ভাৰতৰ জনসংখ্যা বৃদ্ধিৰ মূল দুটা কাৰণ হৈছে—

( ১ ) অন্ধবিশ্বাস নিৰক্ষৰতা আদিৰ বাবে ভাৰতীয় লা◌েকৰ জন্মৰ হাৰ নিয়ন্ত্ৰণ কৰিব পৰা হা◌েৱা নাই । সেয়ে জন্মৰ হাৰ বৃদ্ধি পাই আহিছে , ফলত ভাৰতৰ জনসংখ্যা বৃদ্ধি হৈছে ।

( ২ ) বাংলাদেশ , নেপাল আদিৰ দৰে ওচৰৰ ৰাষ্ট্ৰৰপৰা অবাধ গতিত হা◌েৱা প্ৰব্ৰজনৰ ফলতা◌ে ভাৰতৰ জনসংখ্যা দ্ৰুতগতিত বৃদ্ধি পাইছে ।

**প্ৰশ্ন ৫। ২০১১ চনত ভাৰতৰ মুঠ জনসংখ্যা কিমান আছিল ?**

**উত্তৰঃ** ১২১ , ০৫ ৬৯ , ৫৭৩ ।

**প্ৰশ্ন ৬। ভাৰতৰ জনসংখ্যাৰ বিতৰণ সকলাে ঠাইতে কিয় সমান নহয় ? ইয়াৰ মূল কাৰণ কি কি ?**

**উত্তৰঃ** কোনাে ঠাইৰ প্ৰাকৃতিক অৱসৰৰ বিভিন্নতা অনুসৰি সেই ঠাইখনৰ জনসংখ্যাৰ বিতৰণত বিভিন্নতা আহে । তদুপৰি উদ্যোগ , পৰিবহন , যােগাযােগ আদি কাৰকেও জনসংখ্যাৰ বিতৰণৰ প্ৰভাৱ পেলায় । ভাৰতৰ জনসংখ্যা বিতৰণৰ সকলাে ঠাইতে সমান নাে হাে ৱাৰ কেইটামান মূল কাৰণ তলত উল্লেখ কৰা হ'ল ।

( ১ ) **ভূ – প্ৰাকৃতিক ভিন্নতা :-** ভাৰতত নদীৰ উপত্যকা অঞ্চল , উপকূলীয় অঞ্চল , মৰুভূমি অঞ্চল , পাহাৰীয়া অঞ্চল , বনাঞ্চল আদিৰ প্ৰাথমিক ভিন্নতা আছে । নদীৰ উপত্যকা আৰু উপকূলীয় অঞ্চল বসবাসৰ অধিক উপযােগী বাবে এইবাে ৰ অঞ্চলত আন অঞ্চলতকৈ জনবসতি ঘন।

( ২ ) **মাটিৰ উৰ্বৰতা :-** ভাৰতৰ সকলাে ঠাইৰ মাটি উৰ্বৰ নহয় । উৰ্বৰ মাটি কৃষি উপযােগী বাবে উৰ্বৰ মাটি থকা ঠাইত জনবসতি ঘন আৰু অনুৰ্বৰ মাটি থকা ঠাইত জনবসতি পাতল ।

( ৩ ) **পানীৰ প্ৰাচুৰ্যতা :-** ভাৰতৰ কিছুমান অঞ্চলত পানীৰ প্ৰাচুৰ্যতা আছে , কিন্তু কিছুমান অঞ্চলত পানীৰ নাটনি । গতিকে নদী , হ্ৰদ , বিলৰ পাৰে পাৰে মানুহৰ বসতি ঘন আৰু পানীৰ নাটনি থকা অঞ্চলত জনবসতি কম ।

( ৪ ) **উদ্যোগ :-** ভাৰতৰ সকলাে ঠাইতে সমানে উদ্যোগিক বিকাশ হাে ৱা নাই । যিবাে ৰ অঞ্চলত উদ্যোগিক বিকাশ হৈছে , জীৱিকাৰ সুবিধা থকা বাবে সেইবাে ৰ ঠাইত জনবসতিৰ ঘনত্ব উদ্যোগিক বিকাশ নাে হাে ৱা অঞ্চলবাে ৰতকৈ বেছি ।

( ৫ ) **যাতায়াত – যাে গাযাে গৰ ব্যৱস্থা :-** ভাৰতৰ যাতায়াত , যাে গাযাে গ তথা পৰিবহন ব্যৱস্থাৰ সকলাে ঠাইতে সুচল নহয় । যিবাে ৰ অঞ্চলত এইবাে ৰ সুচল , তাত জনবসতি ঘন । আনহাতে যিবাে ৰ অঞ্চলত এই ব্যৱস্থাবাে ৰ সুচল নহয় , তাত জনবসতি কম ।

**প্ৰশ্ন ৭। ভাৰতৰ কোন কোন অঞ্চলত জনসংখ্যাৰ বিতৰণ অধিক , কিয় ?**

**উত্তৰঃ** ভাৰতৰ গংগা নদীৰ দুয়াে পাৰে জনসংখ্যাৰ বিতৰণ আটাইতকৈ বেছি । উত্তৰ ভাৰতৰ নদী গঠিত সমভূমি অঞ্চল , অৰ্থাৎ উত্তৰ – পশ্চিম ৰাজস্থানৰ পৰা পাঞ্জাৱ হাৰিয়ানা হৈ ব্ৰহ্মপুত্ৰ উপত্যকা পৰ্যন্ত উৰ্বৰ ভূমিত প্ৰায় ৪৮ শতাংশ লাে কে বাস কৰে । এই অঞ্চলৰ জনসংখ্যা ঘনত্ব প্ৰতি কিলাে মিটাৰত ৩০০ ১০০০। আকৌ উপকূলীয়

অঞ্চলসমূহত, যেনে – গােৰাৰ পৰা আৰম্ভ হৈ তললৈ কৰমণ্ডল উপকূললৈকে এই সমগ্ৰ অঞ্চলত জন সংখ্যাৰ বিতৰণ বেছি । এই অঞ্চলত জনবসতিৰ ঘনত্ব প্ৰতি কিলােমিটাৰত গড়ে ৮০০ ।

সেইদৰে খনিজ সম্পদৰ আধিক্য তথা কৃষিকাৰ্যৰ সুবিধা থকা ঝাৰখণ্ড , মহাৰাষ্ট্ৰ আদিৰ মালভূমি অঞ্চলত , জনবসতিৰ ঘনত্ব প্ৰতি কিলােমিটাৰত ৩০০ – ৪০০ ।

ভাৰতৰ মুঠ জনসংখ্যাৰ অধিক সংখ্যক গাঁও অঞ্চলত বাস কৰে । আনহাতে নগৰ , চহৰ , শিল্প উদ্যোগ , খনিজ প্ৰধান অঞ্চলবােৰত জনসংখ্যাৰ বিতৰণ বেছি ।

ওপৰত উল্লেখিত অঞ্চলসমূহত জনসংখ্যাৰ বিৰণ বেছি হােৱাৰ বাবে সেইবােৰ অঞ্চলৰ মাটি উৰ্বৰ ; পানী পৰ্যাপ্ত পৰিমাণে পােৱা যায় ; পশুপালন মীন পালন আৰু কৃষিকাৰ্যৰ বাবে উপযােগী ; যাতায়াত – যােগাযােগ আদিৰ সুব্যৱস্থা আছে ইত্যাদি । মুঠতে জীৱন আৰু জীৱিকাৰ বাবে উপযােগী বাবে এইবােৰ অঞ্চলত জনসংখ্যাৰ বিতৰণ বেছি।

**প্ৰশ্ন ৮। ভাৰতৰ কোন অঞ্চলত জনসংখ্যাৰ বিতৰণ কম , কিয় ?**

**উত্তৰঃ** ভাৰতৰ হিমালয় পৰ্বতমালাৰ উচ্চ স্থানত থকা দেশৰ উত্তৰ পশ্চিম আৰু উত্তৰ – পূব অঞ্চলত জনসংখ্যাৰ বিতৰণ কম । লাখ আৰু অৰুণাচল প্ৰদেশৰ অতি উচ্চস্থানত মানুহৰ বসতি প্ৰায় নাই । উত্তৰ – পশ্চিম অঞ্চলৰ মৰুভূমি অঞ্চলতাে জনসংখ্যাৰ বিতৰণ কম । সেইদৰে অৰণ্য অঞ্চলতাে জনসংখ্যাৰ বিতৰণ অতি কম ।

ওপৰত উল্লেখিত অঞ্চলবােৰত পানী পৰ্যাপ্ত পৰিমাণে পােৱা নাযায় , কৃষিকাৰ্য , মীন পালন – পশুপালন কৰা অসুবিধা , যাতায়াত , পৰিবহণ তথা যােগাযােগৰ অসুবিধা জীৱন আৰু জীৱিকাৰ বাবে অনুপযােগী এনে কিছুমান কাৰৰ বাবে এইবােৰ অঞ্চলত জনসংখ্যাৰ বিতৰণ কম ।